**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-12-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::***

খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস তথা সংস্কৃতি মন্ত্ৰী যোগেন মহনে অসম ৰাজ্যিক সংগ্ৰাহালয়ত আজি ১০ দিনিয়া **ঐতিহ্য-দ্য মিউজিয়াম ফেষ্টিভেল** মুকলি কৰে। এই মহোৎসৱ সংগ্ৰাহালয়, সঞ্চালকালয় অসমৰ উদ্যোগত অনুষ্ঠিত হৈছে। অসমৰ চহকী সংস্কৃতি আৰু ঐতিহ্যক দাঙি ধৰিবলৈ মহোৎসৱত প্ৰদৰ্শনী, আলোচনা চক্ৰ আদিও অনুষ্ঠিত হ'ব। উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী যোগেন মহনৰ লগতে খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস তথা সংস্কৃতি বিভাগৰ বিশেষ আয়ুক্ত ৰঞ্জন শৰ্মা আৰু সচিব মানস নাথ, ড০ ছুপম ৰনবীৰ সিং, পদ্মশ্ৰী সন্মানেৰে সন্মানিত হেমচন্দ্ৰ গোস্বামী আৰু কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ৰমেশ চন্দ্ৰ ডেকাৰ লগতে বহু সংখ্যক বিশিষ্ট লোক উপস্থিত থাকে। অসমৰ সংগ্ৰাহালয় সঞ্চালকালয়ৰ সঞ্চালক অৰিন্দম বৰুৱাই এই মহোৎসৱত দৰ্শকক আদৰণি জনোৱাৰ লগতে মহোৎসৱত প্ৰদৰ্শিত অসমৰ ঐতিহ্যৰ বিভিন্ন দিশসমূহ অন্বেষণ কৰিবলৈও আহ্বান জনায়। এই মহোৎসৱ অহা বৰ্ষৰ ৪ জানুৱাৰীত সামৰণি পৰিব।

০০০০

উত্তৰ-পূব সীমান্ত ৰে'লেৰৰ মহাপ্ৰবন্ধক  চেতন কুমাৰ শ্ৰীবাস্তৱ আৰু আই আৰ চি অ' এনৰ মুখ্য পৰিচালন সঞ্চালক এইছ এম গুপ্তাৰ মাজত আজি এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। ভাৰতীয় ৰে'লৱেত প্ৰথমবাৰৰ বাবে উত্তৰ-পূব সীমান্ত ৰে'লৱেই এই বুজাবুজিৰ চুক্তিৰ জৰিয়তে আই আৰ চি অ' এন আন্তঃৰাষ্ট্ৰীয় লিমিটেডৰ সৈতে অভাৰ হেড ইকুইটমেণ্ট আৰু পাৱাৰ ছাপ্লাই ইনষ্টলেচন সহ বৈদ্যুতিকৰণ আন্তঃগাঁথনি ৰক্ষণা-বেক্ষণৰ বাবে নতুন পদক্ষেপ গ্ৰহণ কৰিছে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ইংৰাজী ২০২৪ বৰ্ষৰ সমাপ্তি উপলক্ষে কেইটামান বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। সেই অনুসৰি পৰহিলৈ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত সমাজৰ নিঃস্ব, আৰ্তজন আৰু অমাতৰ হৈ নীৰৱে কাম কৰি যোৱা তিনিগৰাকী ব্যক্তিৰ বছৰটোৰ সামৰণিৰ উপলব্ধি প্ৰচাৰ কৰা হ'ব। ৩১ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটত দেশ-বিদেশৰ ৰাজনীতি-সমাজনীতি, ক্ৰীড়া, সংস্কৃতি, সাহিত্য জগতৰ উল্লেখযোগ্য ঘটনাৱলীৰ বছৰজোৰা আলোকপাতৰ এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ ষ্টুডিঅ'ত সাংবাদিক, চলচ্চিত্ৰ সমালোচক আৰু ৰাজনৈতিক পৰ্যবেক্ষক উপস্থিত থাকি বছৰটোৰ উল্লেখযোগ্য ঘটনাৱলীৰ পৰ্যালোচনা আগবঢ়াব।

০০০০

প্ৰখ্যাত চলচ্চিত্ৰ নিৰ্মাতা, চিত্ৰ নাট্যকাৰ ভাস্কৰজ্যোতি দাসৰ আজি দেহাৱসান ঘটে। কৰ্কট ৰোগত আক্ৰান্ত হৈ মৃত্যুক আকোৱালি লোৱা প্ৰয়াত চলচ্চিত্ৰ নিৰ্মাতাগৰাকীয়ে **হান্দুক, সোণাৰ বৰণ পাখি, বকুল ফুলৰ দৰে** আদি কেইবাখনো পুৰস্কাৰপ্ৰাপ্ত চলচ্চিত্ৰৰ চিত্ৰনাট্য ৰচনা কৰিছিল। তেওঁ **অন্তৰ্ধান** নামৰ চলচ্চিত্ৰখনৰ সহ-পৰিচালক আৰু প্ৰযোজক হিচাপেও কাম কৰিছিল। বৰুৱাৰ সংসাৰ চলচ্চিত্ৰখনৰো তেওঁ সহকাৰী পৰিচালক আছিল।  তথ্য চিত্ৰ **এন আননোন ছামাৰ, হোৱেৰ ইজ মাই হোম, আই ড'ণ্ট ৱাণ্ট টু বি বৰ্ন এগেইন ফৰ প'য়েম** আদিও পৰিচালনা কৰিছিল। তেওঁ দ্বিতীয় গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত জুৰিৰ

সদস্য হিচাপে কাম কৰিছিল। গুৱাহাটীৰ সূৰ্য ক্লাবত প্ৰয়াত শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ পাছতে অন্ত্যেষ্টিক্ৰিয়াৰ বাবে তেওঁৰ মৃতদেহ টংলাৰ নিজ বাসগৃহলৈ নিয়া হ'ব। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫১ বছৰ।

০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত কাইলৈৰ পৰা গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেল পথাৰত ১২ দিনীয়া বৰ্ণিল কাৰ্যসূচীৰে অসম গ্ৰন্থমেলা-২০২৪ অনুষ্ঠিত হ'ব। চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰৰ পৰিৱৰ্তে এইবেলি খানাপাৰালৈ এই গ্ৰন্থমেলা স্থানান্তৰিত কৰা হৈছে।

কাইলৈ বিয়লি ৩ বজাত হ'বলগীয়া উদ্বোধনী অনুষ্ঠানত শিক্ষামন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৱে সন্মানীয় সভাপতিৰূপে অংশগ্ৰহণ কৰিব। সভাখনত দিল্লীৰ বিশিষ্ট সাংবাদিক, ইতিহাসবিদ, লেখক হিন্দল সেনগুপ্ত, বিশিষ্ট সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ ধ্ৰুৱজ্যোতি বৰা, ভাৰতীয় প্ৰকাশক আৰু পুথি বিক্ৰেতা সংস্থাৰ সভাপতি সুৰিন্দৰ কুমাৰ ঘাইয়ে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব। গ্ৰন্থমেলাত প্ৰতিদিনে ভাষা-সাহিত্য-সংস্কৃতি, ইতিহাস তথা সমাজ জীৱনৰ বিভিন্ন প্ৰাসংগিক আৰু গুৰুত্বপূৰ্ণ বিষয় লৈ আলোচনাসত্ৰ অনুষ্ঠিত হ'ব। এইবাৰ গ্ৰন্থমেলাৰ বিভিন্ন দিনৰ কাৰ্যসূচীত কলকাতাৰ বিশিষ্ট লেখক বিনোদ ঘোষাল, সংস্কৃত আৰু হিন্দী সাহিত্যৰ বিশিষ্ট কথাশিল্পী বলদেৱানন্দ সাগৰ, চলচ্চিত্ৰ পৰিচালক মনোজ শ্ৰীবাস্তৱ, ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলা কেন্দ্ৰৰ সচিব সচিদানন্দ যোশীয়ে বিশিষ্ট অতিথি হিচাপে ভাগ ল'ব। বছৰৰ শেষ দিনটোত গ্ৰন্থমেলাৰ সৈতে সংগতি ৰাখি বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংছিৰ সৈতে অন্তৰংগ আলাপ অনুষ্ঠিত হ'ব। ৫ জানুৱাৰীত গ্ৰন্থমেলাৰ বাকৰিত অনুষ্ঠিত হ'ব **শিশুৰ দিন**।

গ্ৰন্থমেলাৰ প্ৰতিদিনৰ বাতৰি প্ৰচাৰৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰই বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০

শোণিতপুৰ জিলাৰ বাটবাৰি গাঁৱৰ অহনি পথাৰত থকা ইন্দ্ৰধনুশ গেছগ্ৰীড লিমিটেডৰ ছেকচনেলাইজড্ ভাল্ভ ষ্টেচন এলেকা জনসাধাৰণৰ সুৰক্ষা আৰু নিৰাপত্তাৰ স্বাৰ্থত সংৰক্ষিত এলেকা হিচাপে ঘোষণা কৰা হৈছে। জিলা প্ৰশাসন আৰু আৰক্ষীৰ অনুমতি অবিহনে এই অঞ্চলত এতিয়াৰে পৰা কোনো ব্যক্তি বা গোটৰ প্ৰৱেশ নিষিদ্ধ কৰা হৈছে বুলি আমাৰ শোণিতপুৰৰ সংবাদদাতাই জনাইছে।

০০০০

এছিয়ান বক্সিং কনফেডাৰেচন এ বি চিৰ নতুন কমিটিত অসমৰ লাভলিনা বৰগোহাঁই আৰু হেমন্ত কুমাৰ কলিতাই গুৰুত্বপূৰ্ণ পদবি লাভ কৰিছে। থাইলেণ্ডত অনুষ্ঠিত এ বি ছিৰ সভাত লোৱা সিদ্ধান্ত অনুসৰি ভাৰতীয় বক্সিং ফেদাৰেছনৰ সচিব প্ৰধান তথা অসম বক্সিং সন্থাৰ সম্পাদক হেমন্ত কুমাৰ কলিতাক অলিম্পিক কমিছনৰ সদস্যৰূপে মনোনীত কৰা হৈছে। কলিতাই ৮ জনীয়া এই কমিটিত ভাৰতীয় প্ৰতিনিধিৰূপে দায়িত্ব লাভ কৰিছে। ইফালে টকিঅ' অলিম্পিকত পদক লাভ কৰা তথা খেলৰত্ন সন্মান প্ৰাপক মহিলা বক্সাৰ লাভলিনা বৰগোহাঁইক এ বি চিৰ চাৰিজনীয়া এথলিট কমিটিলৈ একমাত্ৰ ভাৰতীয়ৰূপে নিৰ্বাচিত কৰা হৈছে।

০০০০

সমাপ্ত